**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 22-03-2024
**Time :** 1845 Hrs.

***ASSAMESE REGIONAL BULLETIN***

***::::::::::::::::::::::::::::::::::::***

## Headlines

১। দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক দেশখনৰ সৰ্বোচ্চ অসামৰিক সন্মান **অৰ্ডাৰ অৱ দ্যা ড্ৰুক গ্যাল্পো** প্ৰদান।

২। দিল্লীৰ ৰাউজ এভিনিউ আদালতৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰৰ ৰায়দান সংৰক্ষিত ।

৩। অসমত প্ৰথম পৰ্যায়ত ৫টা সমষ্টিত হ'বলগীয়া নিৰ্বাচনৰ বাবে ব্যয় পৰ্যবেক্ষক উপস্থিত।

৪। লোকসভা নিৰ্বাচনৰ বাবে ৰাজ্যত ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান অব্যাহত ।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ আজি চেন্নাইত হ'বলগীয়া উদ্বোধনী খেলত চেন্নাই ছুপাৰ কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মুখামুখি।

ooooo

দুদিনীয়া ভ্ৰমণসূচীৰে ভূটানত উপস্থিত হোৱা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আজি দেশখনৰ প্ৰধানমন্ত্ৰী ছেৰিং টবগেই আড়ম্বৰপূৰ্ণভাৱে আদৰণি জনায়। প্ৰধানমন্ত্ৰী শ্ৰী মোদীক ভূটানৰ সৰ্বোচ্চ অসামৰিক সন্মান অৰ্ডাৰ অব দ্যা ড্ৰুক গাইল্পো প্ৰদান কৰা হয়। ভাৰত-ভূটান দ্বিপাক্ষীক সম্পৰ্কৰ ক্ষেত্ৰত আগবঢ়োৱা অসামান্য বৰঙণিৰ স্বীকৃতি স্বৰূপে ভূটানৰ ৰজাই প্ৰধানমন্ত্ৰী মোদীক এই সন্মান প্ৰদান কৰে। থিম্ফুত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু ভূটানৰ প্ৰধানমন্ত্ৰী ছেৰিং টবগে'ৰ উপস্থিতিত দেশ দুখনৰ মাজৰ সম্পৰ্ক অধিক শক্তিশালী কৰাৰ বাবে কেইবাখনো চুক্তি স্বাক্ষৰ কৰা হয়। পেট্ৰ'লিয়াম আৰু তেল যোগান, শক্তি, দক্ষতা, ক্ৰীড়া আৰু যুৱসকলৰ মাজত সহযোগিতা, ঔষধজাত সামগ্ৰিৰ পৰীক্ষা সম্পৰ্কীয় কেইবাখনো বুজাবুজিৰ চুক্তি দেশ দুখনৰ মাজত স্বাক্ষৰ কৰা হয়। শ্ৰী মোদীয়ে থিম্ফুত ভূটানৰ প্ৰধানমন্ত্ৰী ছেৰিং টবগেৰ সৈতে আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই দ্বিপাক্ষীক সম্পৰ্ক পৰ্যালোচনা কৰি বহুমুখী অংশীদাৰিত্ব অধিক শক্তিশালী কৰাৰ বাবে প্ৰতিশ্ৰুতি দিয়ে।

ooooo

দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালক আজি নতুন দিল্লীৰ ৰাউজ এভিনিউ আদালতত হাজিৰ কৰোৱা হয়। আদালতত গোচৰটোৰ শুনানি গ্ৰহণ কৰা হয়। শুনানিত কেজৰিৱালৰ অধিবক্তাই গ্ৰেপ্তাৰৰ বিৰুদ্ধে প্ৰত্যাহ্বান জনাই যুক্তি প্ৰদৰ্শন কৰে। ইয়াৰ পাছত বিধি বলৱৎকাৰী সঞ্চালকালয়ৰ অধিবক্তাই গ্ৰেপ্তাৰৰ সপক্ষে যুক্তি দাঙি ধৰে। দুয়ো পক্ষৰ যুক্তি শুনাৰ অন্তত আদালতে ৰায় সংৰক্ষিত ৰাখে। এই সন্দৰ্ভত নতুন দিল্লীৰ পৰা সাংবাদিক সিদ্ধাৰ্থ ভট্টাচাৰ্যই এইদৰে কয়-

## *::VOICE CAST::*

ooooo

অসমত প্ৰথম পৰ্যায়ত হ'বলগীয়া ৫ খন আসনৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যয় পৰ্যবেক্ষক আজি ৰাজ্যখনত উপস্থিত হয়। প্ৰথম পৰ্যায়ৰ ভোটগ্ৰহণ হ'বলগীয়া সমষ্টিসমূহত ব্যয় পৰ্যবেক্ষকে প্ৰাৰ্থীসকলৰ ব্যয়ৰ দিশ পৰ্যবেক্ষণ কৰাৰ লগতে সাধাৰণ ভোটাৰৰ সৈতে মিলিত হ'ব। জিলা প্ৰশাসনে নিয়োজিত কৰা নিৰীক্ষকৰ দল আৰু ফ্লায়িং স্কোৱাডৰ সৈতেও ব্যয় পৰ্যবেক্ষকে আলোচনাত মিলিত হ'ব। আনহাতে, ২৬ মাৰ্চত সাধাৰণ পৰ্যবেক্ষক প্ৰথম পৰ্যায়ৰ নিৰ্বাচন হ'বলগীয়া জিলাসমূহত উপস্থিত হ'ব।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ বাবে প্ৰতিটো ৰাজনৈতিক দলে ব্যাপক প্ৰচাৰ অভিযান চলাইছে। কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী সৰ্বানন্দ সোণোৱালৰ লগতে কাজিৰঙা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছা, দৰং-ওদালগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মাধৱ ৰাজবংশী, ডিব্ৰুগড় লোকসভা সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ সমৰ্থিত প্ৰাৰ্থী লুৰিণজ্যোতি গগৈয়ে আজি নিৰ্বাচনী প্ৰচাৰ চলায়। শ্ৰীসোণোৱালে নাহৰকটীয়া নগৰ সমিতিৰ কাৰ্যালয়ৰ সমীপত অনুষ্ঠিত এখন সভাত দলীয় কাৰ্যকৰ্তাসকলৰ সৈতে মত-বিনিময় কৰে। কাজিৰঙা সমষ্টিৰ বিজেপি প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাৰ হৈ আজি মন্ত্ৰী অজন্তা নেওগে গোলাঘাট জিলাৰ মেৰাপানীত অনুষ্ঠিত নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। বিজেপি প্ৰাৰ্থী তাছাই অহা ২৭ মাৰ্চত মনোনয়ন পত্ৰ দাখিল কৰিব বুলি মন্ত্ৰী শ্ৰীমতী নেওগে প্ৰকাশ কৰে। দৰং-ওদালগুৰি সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী মাধৱ ৰাজবংশীয়ে ওদালগুৰিত নিৰ্বাচনী প্ৰচাৰ চলায়। ডিব্ৰুগড় সমষ্টিৰ বিৰোধী ঐক্যমঞ্চৰ প্ৰাৰ্থী অসম জাতীয় পৰিষদৰ লুৰিণজ্যোতি গগৈয়ে আজি তিনিচুকীয়া জিলাত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। তিনিচুকীয়া জিলা কংগ্ৰেছ কমিটী আৰু বিৰোধী ঐক্যমঞ্চৰ এখন যৌথ সভাত অংশগ্ৰহণ কৰি শ্ৰীগগৈয়ে ডিব্ৰুগড়ত জয় লাভ কৰিব বুলি আশা প্ৰকাশ কৰে। সভাত জ্যেষ্ঠ নেতা পৱন সিং ঘাটোৱাৰ, প্ৰাক্তন বিধায়ক ৰাজু চাহু আৰু দুৰ্গা ভূমিজ উপস্থিত থাকে। ইপিনে, অহা ১৯ এপ্ৰিলত হ'বলগীয়া প্ৰথম পৰ্যায়ৰ নিৰ্বাচনৰ বাবে শোণিতপুৰ লোকসভা সমষ্টিৰ কংগ্ৰেছ প্ৰাৰ্থী প্ৰেমলাল গঞ্জুৱে আজি মনোনয়ন পত্ৰ দাখিল কৰে। কংগ্ৰেছ প্ৰাৰ্থীগৰাকীয়ে তেজপুৰৰ জয়মতী পথাৰৰ পৰা দলীয় কৰ্মী আৰু সমৰ্থকক লৈ শোণিতপুৰৰ জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ হাতত আনুষ্ঠানিকভাৱে মনোনয়ন পত্ৰ দাখিল কৰে। মনোনয়ন পত্ৰ দাখিলৰ সময়ত শ্ৰীগঞ্জুক অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰা আৰু জ্যেষ্ঠ কংগ্ৰেছ নেতা ৰকিবুল হুছেইনে সহযোগ কৰে। যোৰহাট সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন গগৈয়ে আজি টীয়ক মণ্ডলৰ উদ্যোগত জাঁজীমুখত অনুষ্ঠিত এখন নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে।আনহাতে, শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে আজি গোলঘাট জিলাৰ বোকাখাতত মিচিং জনগোষ্ঠীয় সংগঠনৰ প্ৰতিনিধিৰ সৈতে লোকসভা নিৰ্বাচন সন্দৰ্ভত আলোচনাত মিলিত হয়। ধুবুৰী লোকসভা সমষ্টিৰ অগপ প্ৰাৰ্থী জাভেদ ইছলামে আজি বিলাসীপাৰাত নিৰ্বাচনী প্ৰচাৰত অংশগ্ৰহণ কৰে।

উল্লেখযোগ্য যে, যোৰহাটৰ আমাৰ সংবাদদাতাই জনোৱা অনুসৰি যোৰহাট সমষ্টিত কংগ্ৰেছ প্ৰাৰ্থী গৌৰৱ গগৈ আৰু বিজেপি প্ৰাৰ্থী তপন গগৈৰ মাজত মূল প্ৰতিদ্বন্দ্বিতা হ'ব। যোৰহাটত নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰিবৰ বাবে জিলা প্ৰশাসনে তৎপৰতা চলাইছে। ইয়াৰ লগতে তালাচী অভিযানো তীব্ৰতৰ কৰি তোলা হৈছে। এই সন্দৰ্ভত জিলাখনৰ আমাৰ সংবাদদাতা বিজয় শংকৰ সন্দিকৈয়ে এইদৰে কয়-

## *::VOICE CAST::*

00000

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত কামৰূপ মহানগৰ জিলা প্ৰশাসনে গুৱাহাটী লোকসভা সমষ্টিৰ অন্তৰ্গত মহানগৰ এলেকাৰ পৰা ৰাজনৈতিক ফলক, বেনাৰ, পোষ্টাৰ আদি আঁতৰ কৰে। কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত আয়ুক্ত তথা নিৰ্বাচনী আচৰণ বিধি কোষৰ নডেল বিষয়া ত্ৰিদিপ কুমাৰ কোঁৱৰৰ নেতৃত্বত গুৱাহাটীৰ পৰা ৭৭৫ খন ফলক, ৮০৪ খন পোষ্টাৰ আঁতৰোৱাৰ লগতে ৬৯ খনত বগা ৰং সানি দিয়া হয়।

00000

সমগ্ৰ বিশ্বৰ লগতে অসমতো কাইলৈ বিশ্ব ধৰিত্ৰী ঘণ্টা পালন কৰা হ'ব। পৰিৱেশ সুৰক্ষাৰ স্বাৰ্থত WWFৰ আহ্বান মৰ্মে এই ধৰিত্ৰী ঘণ্টা পালন কৰা হ'ব। সেই অনুসৰি কাইলৈ নিশা চাৰে ৮ বজাৰ পৰা চাৰে ৯ বজালৈ জনসাধাৰণক পৰিমিত পৰিমাণৰ বিদ্যুৎ ব্যৱহাৰ কৰিবলৈ আহ্বান জনোৱা হৈছে। ৰাজ্যৰ প্ৰতিখন জিলাৰ সকলো চৰকাৰী কাৰ্যালয়, প্ৰতিষ্ঠানত অপ্ৰয়োজনীয় লাইট এঘণ্টাৰ বাবে বন্ধ থাকিব। এই সন্দৰ্ভত ৰাজ্য চৰকাৰৰ সাধাৰণ প্ৰশাসন বিভাগে প্ৰয়োজনীয় নিৰ্দেশনা জাৰি কৰিছে।

00000

ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰহিৰ পৰা শ্ৰীকৃষ্ণৰ দৌল উৎসৱ আৰু ৰঙৰ উৎসৱ ফাকুৱা উদযাপনৰ বাবে প্ৰস্তুতি অব্যাহত আছে। ৰাজ্যৰ প্ৰান্তে প্ৰান্তে এই উৎসৱৰ প্ৰস্তুতিৰ বাবে উলহ-মালহৰ পৰিৱেশ বিৰাজ কৰিছে। সত্ৰনগৰী বৰপেটাত পৰহিৰ পৰা তিনিদিনীয়াকৈ দৌল মহোৎসৱ অনুষ্ঠিত হ'ব। সত্ৰীয়া পৰম্পৰা অনুসৰি ২৪ মাৰ্চত বহ্নুৎসৱ, ২৫ মাৰ্চত ভৰদৌল আৰু ২৬ মাৰ্চত সুৱেৰী বা ফাকুৱা উদযাপন কৰা হ'ব। এই উপলক্ষে সত্ৰৰ দালান, কীৰ্তন ঘৰ, জগমোহন গৃহ, দৌল মন্দিৰৰ লগতে সত্ৰৰ দেৱালসমূহ চাফচিকুণ কৰি তোলাৰ কামত যুৱসকল ব্যস্ত হৈ পৰিছে। একেদৰে সত্ৰৰ বিভিন্ন বংশৰা আৰু সম্প্ৰদায়সমূহেও পৰম্পৰা অনুসৰি মহোৎসৱৰ যাৱতীয় কামকাজ আৰম্ভ কৰিছে। পৰম্পৰা অনুসৰি সত্ৰৰ বিভিন্ন বংশৰাসমূহে বংশানুক্ৰমিকভাৱে সত্ৰখনৰ একোটা কাম-কাজৰ দায়িত্ব লাভ কৰে।

নগাঁও জিলাৰ ইতিহাস প্ৰসিদ্ধ শ্ৰীশ্ৰীবাসুদেৱ থান নৰোৱা সত্ৰত দৌল উৎসৱ পালনৰ বাবে উদযাপন সমিতিয়ে পূৰ্ণগতিত প্ৰস্তুতি চলাইছে। সত্ৰখনত দেওবাৰৰ পৰা তিনিদিনীয়া দৌল যাত্ৰা উদযাপন কৰা হ'ব। এই উৎসৱ উপলক্ষে সত্ৰৰ চৌদিশ নাম প্ৰসংগৰে মুখৰ হৈ পৰাৰ লগতে অন্যান্য অনুষ্ঠানৰ আয়োজন কৰা হ'ব।

উত্তৰ গুৱাহাটীৰ শ্ৰীশ্ৰীদৌলগোবিন্দ মন্দিৰতো পাঁচদিনীয়া বিস্তৃত কাৰ্যসূচীৰে দৌল উৎসৱ উদযাপন কৰা হ'ব। এই উৎসৱ মেষদাহ পৰ্বৰে আৰম্ভ হৈ ধৰ্মীয় শোভাযাত্ৰাৰে সামৰণি পৰিব। উৎসৱৰ অংশ হিচাপে সাংস্কৃতিক অনুষ্ঠান, ভাওনা প্ৰদৰ্শন, যাত্ৰাভিনয় আদিও প্ৰদৰ্শন কৰা হ'ব। ইপিনে, কামৰূপ জিলাৰ বিভিন্ন সত্ৰ, মহাপুৰুষজনাৰ জন্মস্থান বটদ্ৰৱা আৰু মাজুলীৰ সত্ৰসমূহতো দৌল উৎসৱ উপলক্ষে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হ'ব বুলি জানিব পৰা গৈছে।

00000

সমগ্ৰ বিশ্বৰ লগতে অসমতো আজি বিশ্ব জল দিৱস উদযাপন কৰা হয়। বিশুদ্ধ খোৱাপানীৰ গুৰুত্বক সন্মান জনোৱাৰ উদ্দেশ্যে প্ৰতি বছৰে ২২ মাৰ্চত বিশ্বজুৰি এই দিৱস উদযাপন কৰি অহা হৈছে। যোৰহাট জনস্বাস্থ্য কাৰিকৰী বিভাগৰ উদ্যোগত আৰু যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ সহযোগত আজি বিশ্ব জল দিৱস উদযাপন কৰা হয়। এই উপলক্ষে অনুষ্ঠিত সভাত যোৰহাট কেন্দ্ৰীয় মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ দুলেন শইকীয়াই সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি জল দিৱসৰ উদ্দেশ্য ব্যাখ্যা কৰে। অনুষ্ঠানৰ মাজতে পানীৰ পৰীক্ষা কৰাৰ পদ্ধতিৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক অৱগত কৰা হয়। এন টি পি চি বঙাইগাঁৱৰ উদ্যোগত কোকৰাঝাৰ জিলাৰ ছালাকাটিত বিশ্ব জল দিৱস উদযাপন কৰা হয়। অনুষ্ঠানত পানী সংৰক্ষণ সন্দৰ্ভত আলোকপাত কৰা হয়। ৰাজ্যৰ আন আন জিলাৰ লগতে গোৱালপাৰাতো বিশ্ব জল দিৱস উদযাপন কৰা হয়। জনস্বাস্থ্য কাৰিকৰী বিভাগ গোৱালপাৰা সংমণ্ডলে দুধনৈ মহাবিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে বিশ্ব জল দিৱস উদযাপন কৰে। কাৰ্যসূচীৰ লগত সংগতি ৰাখি বক্তৃতা প্ৰতিযোগিতা আৰু সজাগতা সভা অনুষ্ঠিত হয়।

০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে কাইলৈ নিশা ৮ বাজি ২ মিনিটত লোকসভা নিৰ্বাচন বিষয়ক অনুষ্ঠান দৃষ্টিপাত **লোক নিৰ্ণয়-২০২৪** প্ৰচাৰ কৰিব। এই অনুষ্ঠানত সাংবাদিক পাৰ্থ গোস্বামী আৰু নৰেশ কলিতাই অংশগ্ৰহণ কৰিব। অনুষ্ঠানৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল’গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল’ব পাৰিব। শ্ল’গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

০০০০০

অসম বাৰ্তাজীৱি সংঘৰ সোণালী জয়ন্তীবৰ্ষ উপলক্ষে নগাঁৱত অনুষ্ঠিত হোৱা আৰম্ভণি অনুষ্ঠানৰ আজি দ্বিতীয় দিনৰ কাৰ্যসূচী পুৱা ৫০ খন পতাকা উত্তোলনেৰে আৰম্ভ হয়। সংঘৰ সভাপতি মধুসুদন মেধিয়ে পতাকা উত্তোলনৰ মূল পতাকাখন উত্তোলন কৰে। নগাঁও মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ তথা কবি ড০ শৰৎ বৰকটকীয়ে দুপৰীয়া অনুষ্ঠিত হোৱা মুকলি সভাৰ উদ্বোধন কৰি কয় যে, সাংবাদিকসকল হৈছে ইতিহাসৰ পৃষ্ঠা লিখা একো একোজন লিখক। মুকলি সভাত নগাঁৱৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিবৰ্গই যোগদান কৰে।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ সপ্তদশ সংস্কৰণ চেন্নাইত আজি আৰম্ভ হ’ব। টী টুৱেণ্টী প্ৰতিযোগিতাখনৰ উদ্বোধনী খেলখনত চেন্নাই ছুপাৰ কিংছ, ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৰ মুখামুখি হ’ব। খেলখন নিশা ৮ বজাৰ পৰা অনুষ্ঠিত হ’ব। এইবাৰ ৰুতুৰাজ গায়কোৱাডে চেন্নাই ছুপাৰ কিংছক নেতৃত্ব দিব।

ইপিনে, গুৱাহাটীৰ বৰ্ষাপাৰাৰ ক্ৰিকেট ষ্টেডিয়ামত অহা মে’ত আই পি এলৰ দুখন খেল অনুষ্ঠিত হ’ব। ৰাজস্থান ৰয়েল্‌ছ্‌ৰ অধ্যক্ষ অসমৰ ৰঞ্জিত বৰঠাকুৰে এই বিষয়ে প্ৰকাশ কৰিছে। লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বি চি চি আয়ে প্ৰতিযোগিতাৰ প্ৰাৰম্ভিক সূচীহে ঘোষণা কৰিছে। অহা সপ্তাহত লীগৰ পৰৱৰ্তী কাৰ্যসূচী প্ৰকাশ কৰা হ’ব। ইফালে, ব’ৰ্ডৰ সচিব জয় শ্বাহে এইবাৰ আই পি এলৰ সকলো খেল ভাৰততে হ’ব বুলি প্ৰকাশ কৰিছে। উল্লেখযোগ্য যে পূৰ্বে অহা ৫ আৰু ১৬ মে’ত বৰ্ষাপাৰাত দুখন খেল হোৱাৰ কথা আছিল যদিও নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত মে’ৰ তৃতীয় বা চতুৰ্থ সপ্তাহত খেল দুখন অনুষ্ঠিত হ’ব। উল্লেখযোগ্য যে ৰাজস্থান ৰয়েল্‌ছে এইবাৰ আই পি এলত ২৪ মাৰ্চত জয়পুৰত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে  অভিযান আৰম্ভ কৰিব।

ooooo

যোৰহাটৰ বিশিষ্ট শিক্ষাবিদ তথা সংগীত শিল্পী পৰশমণি মহন্তৰ আজি হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু হয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৫৯ বছৰ।

ooooo

ঃসমাপ্তঃ